**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 13-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। বিভিন্ন প্ৰকাৰৰ ঔদ্যোগিক ব্যৱহাৰৰ বাবে কয়লা খণ্ডৰ নিলাম তথা ইয়াৰ উপযুক্ত ব্যৱহাৰ আৰু ৰপ্তানিৰ ক্ষেত্ৰত নতুন ব্যৱস্থাৰ সৃষ্টিৰে কেন্দ্ৰীয় মন্ত্ৰীসভাই কয়লা সেতু নীতিত অনুমোদন জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ত্ৰিদেশীয় ভ্ৰমণসূচীৰে অহা সোমবাৰে জৰ্ডান, ইথিওপিয়া আৰু ওমানলৈ যাব।

৩। নিৰ্বাচন আয়োগে দেশৰ ৮ খন ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী পৰ্যবেক্ষণৰ বাবে বিশেষ ভোটাৰ পৰ্যবেক্ষক নিয়োগ কৰিছে।

৪। সমগ্ৰ দেশে আজি সংসদ ভৱন আক্ৰমণ প্ৰতিহত কৰিবলৈ গৈ প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। *আৰু*

৫। চেন্নাইত অনুষ্ঠিত স্কোৱাছ বিশ্বকাপৰ ছেমি ফাইনেলত ভাৰত আজি যোৱাবাৰৰ বিজয়ী ইজিপ্তৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

বিভিন্ন প্ৰকাৰৰ ঔদ্যোগিক ব্যৱহাৰৰ বাবে কয়লাৰ নিলাম তথা এই সম্পদবিধৰ উপযুক্ত ব্যৱহাৰ আৰু ৰপ্তানিৰ ক্ষেত্ৰত এটা নতুন ব্যৱস্থাৰ সৃষ্টি কৰি কেন্দ্ৰীয় চৰকাৰে কালি কয়লা সেতু নীতিত অনুমোদন জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অৰ্থনৈতিক পৰিক্ৰমাৰ কেবিনেট সমিতিয়ে কালি নিৰৱচ্ছিন্ন, যোগ্য আৰু স্বচ্ছ ব্যৱহাৰৰ বাবে কয়লাৰ ব্যৱহাৰ, ৰপ্তানি আদিৰ নিবিদাৰ নীতিত অনুমতি প্ৰদান কৰে। মন্ত্ৰীসভাৰ এই সিদ্ধান্তৰ বিষয়ে নতুন দিল্লীত সাংবাদিকৰ আগত প্ৰকাশ কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে এই নীতিৰ অধীনত দীৰ্ঘদিনীয়াকৈ যিকোনো ঔদ্যোগিক ব্যৱহাৰৰ বাবে নিবিদাৰ ভিত্তিত কয়লাৰ ব্যৱহাৰৰ ক্ষেত্ৰত আৱণ্টন দিয়া হ'ব।

কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত কালি ২০২৭ৰ লোকপিয়লৰ বাবে ১১ হাজাৰ ৭১৮ কোটি টকাৰ বাজেটত অনুমোদন জনোৱা হয়। শ্ৰীবৈষ্ণৱে কয়, যে ২০২৭ চনৰ লোকপিয়ল দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। তেওঁ কয় যে এই লোকপিয়ল দেশৰ ষোড়শ আৰু স্বাধীনোত্তৰ ভাৰতৰ অষ্টম লোকপিয়ল হ'ব। তেওঁ ভাৰতৰ লোকপিয়ল বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ প্ৰশাসনিক আৰু পৰিসাংখ্যিক অনুশীলন হিচাপে বিবেচনা কৰা হয় বুলি উল্লেখ কৰে। ২০২৭ চনৰ লোকপিয়লত জাতিগত গণনাও অন্তৰ্ভুক্ত কৰা হ'ব। এই লোকপিয়ল দেশৰ প্ৰথমটো ডিজিটীয় লোকপিয়ল হ'ব বুলি উল্লেখ কৰি শ্ৰীবৈষ্ণৱে কয়, যে এণ্ড্ৰইদ আৰু আই অ' এছত উপলভ্য মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখ কৰ্মীক জড়িত কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ত্ৰিদেশীয় ভ্ৰমণসূচীৰে অহা সোমবাৰে জৰ্ডান, ইথিওপিয়া আৰু ওমানলৈ যাব। নতুন দিল্লীত কালি সন্ধিয়া বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ দক্ষিণৰ সচিব ড০ নীনা মালহোত্ৰাই প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সন্দৰ্ভত সাংবাদিকৰ আগত কয়, যে ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদীয়ে ১৫ৰ পৰা ১৬ ডিচেম্বৰলৈ জৰ্ডানৰ ৰজা আব্দুলা দ্বিতীয় বিন অল হুছেইনৰ আমন্ত্ৰণমৰ্মে দেশখন ভ্ৰমণ কৰিব। উল্লেখযোগ্য যে দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্কই এইবাৰ ৭৫ বছৰ সম্পূৰ্ণ কৰিছে। ভাৰত আৰু জৰ্ডানৰ মাজত শক্তিশালী অৰ্থনৈতিক সম্পৰ্ক আছে আৰু ভাৰত হৈছে জৰ্ডানৰ তৃতীয় বৃহৎ বাণিজ্য অংশীদাৰ।

ত্ৰিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰীয়ে ১৬ৰ পৰা ১৭ ডিচেম্বৰলৈ ইথিওপিয়া ভ্ৰমণ কৰিব। এই ভ্ৰমণে ভাৰতৰ দক্ষিণ-দক্ষিণ সহযোগিতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিব। শ্ৰীমোদীয়ে লগতে ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী ড০ এবি আহমেদ আলীৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হ'ব। ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদীয়ে ১৭ৰ ১৮ ডিচেম্বৰলৈ ওমান ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে এগৰাকী উচ্চ পৰ্যায়ৰ প্ৰতিনিধিও ওমানলৈ যাব। ভাৰত আৰু ওমানৰ মাজত বাণিজ্য, সহযোগিতা তথা জনসাধাৰণৰ মাজৰ সম্পৰ্কক ধৰি বিভিন্ন ক্ষেত্ৰত বিশেষ অংশীদাৰিত্ব আছে। প্ৰধানমন্ত্ৰী মোদীৰ ওমান ভ্ৰমণৰ সময়ত কেইবাখনো গুৰুত্বপূৰ্ণ চুক্তিত স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে।

০০০০০

নিৰ্বাচন আয়োগে দেশৰ মুখ্য ৮ খন ৰাজ্যত চলি থকা ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী পৰ্যবেক্ষণৰ বাবে বিশেষ ভোটাৰ পৰ্যবেক্ষক নিয়োগ কৰিছে। এই পৰ্যবেক্ষকসকলক পশ্চিমবংগ, তামিলনাডু, উত্তৰপ্ৰদেশ, গুজৰাট, কেৰালা, মধ্যপ্ৰদেশ, চত্তীশগড় আৰু ৰাজস্থানত নিয়োগ কৰা হৈছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে পৰ্যবেক্ষকসকলে ইতিমধ্যে তেওঁলোকৰ কাম আৰম্ভ কৰিছে আৰু ২০২৬ৰ ফেব্ৰুৱাৰীৰ ভিতৰত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ নোহোৱা পৰ্যন্ত তেওঁলোকে কাম কৰিব। পৰ্যবেক্ষকসকলে সংশোধনীৰ এই সমগ্ৰ প্ৰক্ৰিয়াটো নিয়াৰিকৈ আৰু স্বচ্ছভাৱে আগবঢ়াই নিয়াটো সুনিশ্চিত কৰিব। তেওঁলোকে ৰাজ্য আৰু জিলা পৰ্যায়ত ৰাজনৈতিক দলসমূহক সাক্ষাৎ কৰি ভোটাৰ তালিকাৰ সংশোধনী সংন্দৰ্ভত তেওঁলোকৰ মতামত গ্ৰহণ কৰিব। পৰ্যবেক্ষকসকলে লগতে মুখ্য নিৰ্বাচনী বিষয়া আৰু জিলা নিৰ্বাচনী বিষয়াৰ সৈতে শাৰীৰিক বা ভাৰ্চুৱেল ব্যৱস্থাৰে আলোচনাতো অংশগ্ৰহণ কৰিব।

০০০০০

সমগ্ৰ দেশে আজি সংসদ ভৱন আক্ৰমণ প্ৰতিহত কৰিবলৈ গৈ প্ৰাণ হেৰুওৱা সুৰক্ষা বাহিনীৰ লোক তথা এই আক্ৰমণৰ বলি হোৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। ২০০১ চনৰ ১৩ নৱেম্বৰত সন্ত্ৰাসবাদীয়ে সংসদ ভৱনত আক্ৰমণ চলাইছিল। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰী তথা সংসদৰ সদস্যসকলে আজি সংসদ ভৱন চৌহদত এই আক্ৰমণৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা জনাই পুষ্পাঞ্জলি তৰ্পণ কৰিব।

০০০০০

শ্ৰমিকৰ কল্যাণ সাধন আৰু ব্যৱসায়িক প্ৰয়োজনীয়তা পূৰণৰ মাজত ভাৰসাম্য ৰক্ষা কৰিবলৈ স্পষ্ট, সামঞ্জস্যপূৰ্ণ আৰু অগ্ৰগামী শ্ৰম নীতি যুগুত কৰাৰ বাবে আইনী পৰিকাঠামো গঢ়ি তোলা হৈছে। নতুন দিল্লীত অনুষ্ঠিত সৰ্বভাৰতীয় নিয়োগ কৰ্তা সংস্থাৰ ৯১ সংখ্যক বাৰ্ষিক সাধাৰণ সভাত অংশ লৈ শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ৰ জ্যেষ্ঠ পৰামৰ্শদাতা আলোক চন্দ্ৰাই এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে এই নতুন পৰিকাঠামো— ডিজিটেল প্ৰথম পদ্ধতিলৈ পৰিৱৰ্তিত কৰি ব্যৱসায় বৃদ্ধিৰ বাবে সহজভাৱে নিৰ্মাণ কৰা

হৈছে। শ্ৰমিকৰ কল্যাণৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, যে নতুন শ্ৰম নীতিৰ জৰিয়তে পূৰ্বৰ নিয়োগ ব্যৱস্থাত অন্তৰ্ভুক্ত নোহোৱা সকলো খণ্ডতে ন্যূনতম মজুৰী সাৰ্বজনীন কৰি তোলা হৈছে। পৰ্যটক সুৰক্ষা ব্যৱস্থাৰ জৰিয়তে নিশাৰ ভাগত মহিলাকৰ্মীক নিয়োজিত কৰি কৰ্মশক্তিক প্ৰসাৰিত কৰিবলৈ নতুন শ্ৰম সংহিতাত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০

দিল্লীৰ ক্ৰমবৰ্ধিত প্ৰদূষণৰ সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ ধূলি নিয়ন্ত্ৰণৰ বাবে ৰাজপথসমূহ পৰিকল্পিতভাৱে নিৰ্মাণ কৰি অহা হৈছে। শ্বালিমাৰ বাগ বিধানসভা সমষ্টি ভ্ৰমণ কৰি দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই কয়, যে ৰাজপথসমূহৰ নিৰ্মাণ আৰু মেৰামতিৰ বাবে বিধায়কসকললৈ পৰ্যাপ্ত পৰিমাণৰ ধন আগবঢ়োৱা হৈছে। শ্ৰীমতী গুপ্তাই কয়, যে চৰকাৰে আন্তঃগাঁথনি উন্নয়নৰ বাবে বুজন পৰিমাণৰ ধন বিনিয়োগ কৰিছে যদিও প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে জনসাধাৰণেও সক্ৰিয়ভাৱে অংশ ল'ব লাগিব। ধূলি আৰু ধোঁৱা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত জনসাধাৰণৰ ভূমিকা কেনে হোৱা উচিত সেয়া উপলব্ধি কৰিব লাগিব, কিয়নো প্ৰদূষণৰ বিৰুদ্ধে চৰকাৰে অকলে যুঁজ দি সফল হ'ব নোৱাৰে।

০০০০০

চত্তীশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাইয়ে ৰাজ্যখনৰ পৰা নক্সালবাদ সমাপ্ত হোৱাৰ পথত অগ্ৰসৰ হৈছে বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁ দুবছৰৰ কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ সময়ত সাংবাদিকৰ আগত এই কথা উল্লেখ কৰি কয়, যে সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত এতিয়ালৈকে ৫০৫ জন মাওবাদী নিহত হোৱাৰ বিপৰীতে দুহেজাৰ ৩৮৬ জন মাওবাদীয়ে আত্মসমৰ্পণ কৰাৰ লগতে এহেজাৰ ৯০১ জন গ্ৰেপ্তাৰ হৈছে। শ্ৰীছাইয়ে উল্লেখ কৰে যে ৰাজ্যখনৰ মাওবাদী অধ্যুষিত অঞ্চলসমূহত ৬৯টা সুৰক্ষা শিবিৰ স্থাপন কৰা হৈছে আৰু চত্তীশগড় চৰকাৰৰ পুনৰ্বাস যোজনাৰ অধীনত মাওবাদীসকলক সমাজৰ মূল সুঁতিলৈ উভতি অহাৰ বাবে উৎসাহিত কৰি অহা হৈছে। তেওঁ কয়, যে আত্মসমৰ্পণকাৰী মাওবাদীসকলক পুনৰ সংস্থাপনৰ বাবে ৩ বছৰলৈ মাহিলী ১০ হাজাৰ টকাকৈ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। শ্ৰীছাইয়ে লগতে কয়, যে বিগত দুটা বছৰত মাওবাদী সমস্যাৰ ক্ষেত্ৰত চৰকাৰখনে বিশেষ সফলতা অৰ্জন কৰাৰ লগতে সংঘৰ্ষৰ ফলত বন্ধ হৈ হোৱা বহুসংখ্যক বিদ্যালয়, চিকিৎসালয় আদি পুনৰ আৰম্ভ কৰা হৈছে। তদুপৰি চাৰিশৰো অধিক গাঁৱত পথ, স্বাস্থ্যকেন্দ্ৰ, মোবাইল টাৱাৰ, ৰেচন দোকান আদিৰ সুবিধা প্ৰদান কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

চেন্নাইত অনুষ্ঠিত স্কোৱাছ বিশ্বকাপৰ ছেমি ফাইনেলত ভাৰত আজি যোৱাবাৰৰ বিজয়ী ইজিপ্তৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ আন এখন ছেমি ফাইনেলত হংকং আৰু জাপান মুখামুখি হ'ব। ভাৰতে কালি কোৱাৰ্টাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ পৰাস্ত কৰে। ভাৰতে দ্বিতীয়বাৰৰ বাবে স্কোৱাছ বিশ্বকাপৰ ছেমি ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিছে। ইয়াৰ পূৰ্বে এই প্ৰতিযোগিতাত ভাৰতে ছুইজাৰলেণ্ড আৰু ব্ৰাজিলক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।

০০০০০

সমাপ্ত